জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২৪১/২০২১

**কবি পাৰ্থসাৰথি মহন্তৰ কাব্যগ্ৰন্থ উন্মোচন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# কবিতাই হৃদয়ৰ কথা কয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩১ আগষ্ট ঃ** ‘কবিতাই হৃদয়ৰ কথা কয়। সেই কথাই আন এজনৰ হৃদয়ত মিলি যায়। তেনে কবিতাই লাভ কৰে জনপ্ৰিয়তা আৰু পাঠকৰ সমাদৰ। কবিয়ে মনৰ কথা ক’ব বিচাৰে। তেনে মনৰ কথা যেতিয়া আন ব্যক্তিয়ে মানিব নিবিচাৰে তেনে কবিতা পাৰহণিৰ গৰ্ভত বিলীন হয়। কবিতাত মানুহৰ কল্পনা, সমাজখন প্ৰতিফলিত হয়। তেনে কবিতাই সমাদৃত হয়।’ আজি জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ সভাগৃহত কবি, সাহিত্যিক তথা অসম আৰক্ষীৰ শীৰ্ষ বিষয়া পাৰ্থসাৰথি মহন্তৰ ‘জীৱনৰ সংলাপ’ নামৰ কবিতা পুথিখন উন্মোচন কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়।

মুখ্যমন্ত্ৰীয়ে কয় যে ভাল কবিতাক মানুহে মনত ৰাখে। বহু কবিয়ে কষ্ট কৰি কবিতাৰ সৃষ্টি কৰে, কিন্তু তেনে কবিতা কঠিন হোৱা বাবে পঢ়ুৱৈৰ সমাদৰ লাভ কৰিবলৈ সক্ষম নহয়। কবিতাই মানুহৰ মনৰ বেদনাক সংশ্লেষণ কৰি আলোকৰ সন্ধান দিব পাৰিলে তেনে কবিতাই মানুহৰ মনন জগতক সহজে কৰ্ষণ কৰিব পাৰে।

আজিৰ এই কবিতা উন্মোচনী অনুষ্ঠানত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা ‘গৰিয়সী’ৰ সম্পাদক ডাঃ ধ্ৰুৱজ্যোতি বৰা, বিশিষ্ট ঔপন্যাসিক, গল্পকাৰ তথা সাদিনৰ সম্পাদক অনুৰাধা শৰ্মা পূজাৰী, বিশিষ্ট কবি আনিছ উজ জামানে ভাষণ প্ৰদান কৰে। জুবলী বৰুৱাৰ প্ৰাৰ্থনাৰে আৰম্ভ হোৱা আজিৰ এই অনুষ্ঠানত বিশিষ্ট শিল্পী জুবিন গাৰ্গ, কপিল বৰা, জেৰিফা ৱাহিদে কবি পাৰ্থসাৰথি মহন্তৰ কবিতা আবৃত্তি কৰে।

অনুষ্ঠানত অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান পি ভি সুমন্তকে ধৰি কেইবাগৰাকীও কবি, সাহিত্যিক আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ / স্বাক্ষৰ**
**৩১/০৮/২০২১**